# মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত প্ৰফুল্ল কুমাৰ মহন্তলৈ ৰাভা হাছং সুৰক্ষা পৰিষদৰ কেইটামান মুকলি প্ৰশ্ন

তাং ২৩।২।৯৭ ইং

স্থান—জিলা পুথিভঁৰাল, গুৱাহাটী

মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া,

ৰাভা হাছং সুৰক্ষা পৰিষদৰ অভিনন্দন গ্ৰহণ কৰিব। মনত আছেনে আপোনাৰ ৰাভা হাছং সুৰক্ষা পৰিষদৰ ছয় দফীয়া দাবী চনদৰ কথা? মনত পৰেনে ১।৩।৯৬ ইং তাৰিখত আমাৰ লগত কৰা বুজাবুজিৰ চুক্তিৰ কথা? মনত পৰেনে আপোনাৰ দলৰ নিৰ্বাচনী ইস্তাহাৰত দিয়া প্ৰতিশ্ৰুতিৰ কথা?

## আমাৰ দাবী চনদ

১। ৰাভা হাছং স্বায়ত্ত পৰিষদৰ চাৰিসীমা নিৰ্দ্ধাৰণ কৰক।
   (ক) এই ক্ষেত্ৰত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত বাণীৰ পৰা পশ্চিমে জয়ৰাম কুছীলৈকে থকা সকলো জনজাতীয় খণ্ড আৰু আবেষ্টনী অন্তৰ্ভুক্ত কৰক।
   (খ) জনজাতীয় উপ-আচনি অন্তৰ্ভুক্ত সকলো গাওঁ অন্তৰ্ভুক্ত কৰক।
   (গ) জনজাতীয় তথা ৰাভা ইতিহাসৰ লগত জড়িত সকলো গাওঁ অন্তৰ্ভুক্ত কৰক।
   (ঘ) সকলো বনগাঁও (Forest villages) অন্তৰ্ভুক্ত কৰক।

২। ৰাভা হাছং স্বায়ত্ত পৰিষদক বিত্তীয় ক্ষমতা প্ৰদান কৰক। নিজাববীয়া বাজেট প্ৰস্তুত কৰাৰ ক্ষমতা প্ৰদান কৰক।

৩। ৰাভা হাছং স্বায়ত্ত পৰিষদক বিধায়িনী ক্ষমতা প্ৰদান কৰক।

৪। জনজাতি সকলক প্ৰকৃতভাৱে সংৰক্ষণ দিব পৰাকৈ ভূমি নীতি প্ৰৱৰ্ত্তন কৰক। ১৮৮৬ চনৰ 'অসম ভূমি আৰু ৰাজহ আইনৰ' দশম অধ্যায়ৰ ১৬৬ আৰু ১৬৭ নং অনুচ্ছেদ দুটা বাতিল কৰক। এই ক্ষেত্ৰত উউ এন. ৰেড্ডি আয়োগৰ পৰামৰ্শৱলী গ্ৰহণ কৰক।

৫। ৰাভা হাছং গাওঁ পৰিষদত কমেও ৭ (সাত) জন আৰু শীৰ্ষ পৰিষদত কমেও ২১ [ একৈশ ] জন আসন ৰাভা জনগোষ্ঠীৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰক।

৬। সৰ্বসাধাৰণ ৰাভা নেতৃত্বহীন ৰাভা হাছং অন্তৰ্বৰ্তীকালীন পৰিষদখন অতি শীঘ্ৰে ভঙ্গ কৰক আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে ইয়াক পুনৰ গঠন কৰক।

* আপুনি চুক্তি কৰিছিল—"আজি ১।৩।৯৬ ইং তাৰিখে শুক্ৰবাৰে দিনৰ ১১ বজাত অসম গণ-পৰিষদৰ আমবাৰীস্থিত মুখ্য কাৰ্য্যালয়ত অসম গণ পৰিষদ আৰু ৰাভা হাছং সুৰক্ষা পৰিষদৰ এক সৌহাৰ্দপূৰ্ণ আলোচনা অনুষ্ঠিত হয়।

সভাত ৰাভা হাছং সুৰক্ষা পৰিষদে উত্থাপন কৰা ৬ দফীয়া দাবীৰ প্ৰতি অসম গণ পৰিষদ দলে ঐক্যমত পোষণ কৰে আৰু আগন্তুক নিৰ্বাচনত অসমত চৰকাৰ গঠন কৰিলে অতি শীঘ্ৰে সেইবোৰ দাবী কাৰ্য্যকৰীকৰণৰ বাবে ফলপ্ৰসূ কাৰ্য্য ব্যৱস্থা ল'বলৈ মত পোষণ কৰে।"

এই চুক্তি পত্ৰত অসম গণ পৰিষদ দলৰ সভাপতি হিচাপে আপুনি নিজে আৰু উপ সভাপতি, শ্ৰীদ্বিৰাজ শৰ্মা, ৰেখাৰাণী দাস বড়ো, ডাঃ কমলা কলিতা আৰু অৰুণ ৰাভা ডাঙৰীয়াই চহী কৰা নাছিল নে?

* আপোনাৰ দলৰ নিৰ্বাচনী ইস্তাহাৰত [৮ পৃঃ] লিখিছিল— ... ..."ৰাভা হাছং সুৰক্ষা পৰিষদৰ লগত হোৱা চুক্তি অনুসৰি ছয়দফীয়া দাবী চনদ কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা লোৱা হব।"... মুখ্যমন্ত্ৰী ডাঙৰীয়া, এই চুক্তি আৰু প্ৰতিশ্ৰুতি কেৱল প্ৰাক-নিৰ্বাচনী চমক'েই আছিল নে? কেৱল নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ বাবেই আপুনি এই প্ৰতিশ্ৰুতি সমূহ দিছিল নে? ৰভালেও এনেকাৰ অলা জুইকুৰা আপুনি দক্ষিণ কামৰূপ আৰু গোৱালপাৰাতো জলাটো বিচাৰেনে? যদি নিবিচাৰে তেনেহলে আমাৰ দাবীসমূহ পূৰণৰ বাবে নিজেই আগভাগ লবনে?

ৰাভা হাছং সুৰক্ষা পৰিষদ
দুধনৈ, অসম।

OKDISCD